# *ভাৰতবৰ্ষৰ ভূগোল*

**১) ভাৰতবৰ্ষৰ ভৌগোলিক অৱস্থানৰ বিষয়ে লিখা।**

**উত্তৰঃ** এচিয়া পৃথিৱীৰ বৃহত্তম মহাদেশ। এই মহাদেশৰ দক্ষিণাংশত ভাৰতবৰ্ষ অৱস্থিত। ইয়াৰ উত্তৰে সু-উচ্চ হিমালয় পৰ্বতমালা আৰু চীন দেশ, দক্ষিণে ভাৰত মহাসাগৰ আৰু শ্ৰীলংকা, পূবে বংঙোপসাগৰ আৰু ম্যানমাৰ আৰু পশ্চিমে আৰৱ সাগৰ আৰু পাকিস্তান। ভাৰতৰ ভূ-খণ্ড উত্তৰা- দক্ষিণাকৈ কাশ্মীৰৰ পৰা কুমাৰিকালৈ আৰু পূবা- পশ্চিমাকৈ অৰুণাচল প্ৰদেশৰ পূব প্ৰান্তৰ পৰা সৌৰাষ্ট্ৰলৈকে বিস্তৃত । এই দেশে ৮°৪২৮' উত্তৰৰ পৰা ৩৭০°১৭' ৫৩" উত্তৰ অক্ষৰেখা আৰু ৬৮°৭' ৩৩" পূবৰ পৰা ৯৭°২৪' ৪৭" পূব দ্ৰাঘিমাৰেখাৰ মাজত অৱস্থিত। ২৩°৩০' উত্তৰ অক্ষৰেখা বা কৰ্কটক্ৰান্তি ৰেখা ভাৰতৰ সোঁমাজেদি গৈছে। এই ৰেখাই দেশখনক উত্তৰ আৰু দক্ষিণ দুটা সমান ভাগত বিভক্ত কৰিছে। ইয়াৰে দক্ষিণৰ ভাগটো পূবে বংগোপসাগৰ আৰু পশ্চিমে আৰৱ সাগৰৰ মাজত অৱস্থিত।

**২)ভাৰতৰ উপকূল ৰেখাৰ মুঠ দৈৰ্ঘ্য কিমান?**

**উত্তৰঃ** ভাৰতৰ উপকূল ৰেখাৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৬,১০০ কিলোমিটাৰ।

**৩) ভাৰতৰ মুঠ স্থলসীমাৰ দৈৰ্ঘ্য কিমান?**

**উত্তৰঃ** ভাৰতৰ মুঠ স্থলসীমাৰ দৈৰ্ঘ্য হৈছে ১৫,২০০ কিলোমিটাৰ ।

**৪) ভাৰতৰ ভূখণ্ড সম্পৰ্কে এটি চমুটোকা লিখা।**

**উত্তৰঃ** উত্তৰা- দক্ষিণাকৈ ভাৰতবৰ্ষৰ ভূ-খণ্ড প্ৰায় ৩,২১৪ কিলোমিটাৰ আৰু পূবা- পশ্চিমাকৈ প্ৰায় ২,৯৩৩ কিলোমিটাৰ বিস্তৃত। পূবে বংঙোপসাগৰ, পশ্চিমে আৰৱ সাগৰ আৰু দক্ষিণে ভাৰত মহাসাগৰৰ সৈতে ভাৰতীয় ভূ-ভাগে প্ৰায় ৬,১০০ কিলিমিটাৰ দৈৰ্ঘ্যৰ উপকূল সৃষ্টি কৰিছে।

এই উপকূল অঞ্চলতে ভালেমান বন্দৰ গঢ়ি উঠিছে। সুদীৰ্ঘ উপকূল ৰেখাৰ নিচিনাকৈ ভাৰতৰ ভূ- খণ্ডই ইয়াৰ চুবুৰীয়া দেশসমূহৰ সৈতে স্থল ভাগেৰেও সীমাৰেখাৰ সৃষ্টি কৰিছে। পশ্চিমে পাকিস্তান, উত্তৰে চীন, নেপাল আৰু ভূটান, পূবে চীন, দক্ষিণ- পূবত ম্যানমাৰ আৰু বাংলাদেশৰ লগত ভাৰতৰ মুঠ স্থলসীমাৰ দৈৰ্ঘ্য হৈছে ১৫,২০০ কিলোমিটাৰ।

**৫) উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ নদীসমূহৰ চাৰিটা মূল পাৰ্থক্য লিখা।**

**উত্তৰঃ**

১) উত্তৰ ভাৰতৰ নদীবিলাকৰ উচ্চগতি, মধ্যগতি আৰু নিম্নগতি - এই তিনিটা গতি স্পষ্টকৈ চকুত পৰে, কিন্তু দক্ষিণ ভাৰতৰ নদীবোৰৰ ক্ষেত্ৰত এই তিনিটা গতি স্পষ্টকৈ দেখা নাযায়।

২) উত্তৰ ভাৰতৰ নদীবোৰ নব্য হোৱাৰ কাৰণে এইবোৰৰ পাৰত বহুতো ডাঙৰ চহৰ- নগৰ গঢ়ি উঠিছে। আনহাতে দক্ষিণ ভাৰতৰ নদীবিলাক নব্য নহয় কাৰণে এই বিলাকৰ পাৰত ডাঙৰ চহৰ- নগৰ তেনেদৰে গঢ়ি উঠা নাই।

৩) উত্তৰ ভাৰতৰ নদী- অৱবাহিকাসমূহ পলসুৱা আৰু সাৰুৱা হোৱাৰ বাবে ঘন বসতিপূৰ্ণ, কিন্তু দক্ষিণ ভাৰতৰ নদী অৱবাহিকাসমূহ সিমান সাৰুৱা নহয়। সেয়ে তাত জনবসতি সেৰেঙা হোৱা দেখা যায়।

৪) উত্তৰ ভাৰতৰ নদীবিলাকৰ দৈৰ্ঘ্য বেছি আৰু ইহঁতৰ মোহনাত বিস্তৃত ব- দ্বীপ অঞ্চলৰ সৃষ্টি হৈছে। কিন্তু দক্ষিণ ভাৰতৰ নদীবিলাক তুলনামূলকভাৱে চুটি আৰু ইহঁতৰ কিছুমানৰ মোহনা অঞ্চলত সৰু সৰু ব- দ্বীপ গঠিত হৈছে।

**৬)ভাৰতৰ ভূ-প্ৰাকৃতিক ভাগ কেইটা কি কি?**

**উত্তৰঃ** ভূ-প্ৰাকৃতিক গঠন আৰু বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ভাৰতবৰ্ষক মুঠ চাৰিটা ভূ-প্ৰাকৃতিক ভাগত ভগাব পাৰি। সেইকেইটা হল -

ক) উত্তৰ হিমালয় পাৰ্বত্য অঞ্চল
খ) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল
গ) দক্ষিণাত্য মালভূমি অঞ্চল
ঘ) উপকূল অঞ্চল

ইয়াৰ উপৰি বংগোপসাগৰ আৰু আৰৱ সাগৰত থকা ভাৰতৰ অন্তৰ্গত দ্বীপসমূহক বেলেগ ভূ-প্ৰাকৃতিক গোট হিচাপে বিবেচনা কৰিব পাৰি।

**৭) উত্তৰ ভাৰতৰ হিমালয় পাৰ্বত্য অঞ্চলৰ বৈশিষ্ট্য লিখা।**

**উত্তৰঃ** উত্তৰ ভাৰতৰ হিমালয় পাৰ্বত্য অঞ্চলৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হল -

হিমালয় পৃথিৱীৰ সৰ্বোচ্চ পৰ্বত। এই পৰ্বতৰ বহুতো ঠাল- ঠেঙুলি আছে। এই পৰ্বতমালা ভাৰতৰ বাহিৰেও নেপাল, ভূটান আৰু চীন দেশলৈকে বিস্তৃত হৈ আছে। হিমালয়ৰ উচ্চ শিখৰবোৰ বৰফেৰে আবৃত হৈ থাকে। এই বৰফৰ পৰা তুষাৰ নৈৰ সৃষ্টি হয়। হিমালয় অঞ্চলত এনেকুৱা অসংখ্য তুষাৰ নৈ দেখা যায়।

**৮) উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ বৈশিষ্ট্য লিখা।**

**উত্তৰঃ** উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হল- এই সমভূমিৰ প্ৰস্হ ঠাই ভেদে বেলেগ বেলেগ হোৱা দেখা যায়। এই সমভূমি দক্ষিণলৈ ঢাল খোৱা আৰু ইয়াৰ মাটি সাৰুৱা হোৱাৰ বাবে ইয়াত জনবসতি ঘন। এই সমভূমি অঞ্চলটোৱে ১.৭৫ লাখ বৰ্গ কি মি আগুৰি আছে। সাৰুৱা মাটি আৰু সুচল যাতায়ত ব্যৱস্থাৰ বাবে এই সমভূমি জনবসতিপূৰ্ণ আৰু কৃষি ক্ষেত্ৰত আগবঢ়া।

**৯) দাক্ষিণাত্য মালভূমি অঞ্চলৰ বৈশিষ্ট্য লিখা।**

**উত্তৰঃ** দাক্ষিণাত্য মালভূমি অঞ্চলৰ বৈশিষ্ট্যসমূহ হল - ই আকৃতিত ত্ৰিভুজ এটাৰ দৰে। এই মালভূমি অঞ্চলটো পুৰণি কঠিন শিলাৰে গঠিত। দাক্ষিণাত্য

মালভূমি পশ্চিমঘাট পৰ্বতৰ ফালে ক্ৰমে ওখ আৰু পূৰ্বঘাট পৰ্বতৰ ফালে চাপৰ আৰু এঢলীয়া। এই ঢাল অনুসৰি দক্ষিণ ভাৰতৰ প্ৰায় আটাইবোৰ নদী পশ্চিমৰ পৰা পূবলৈ বৈ গৈ বংগোপসাগৰত পৰিছে।

**১০) উপকূল অঞ্চলৰ বৈশিষ্ট্য উল্লেখ কৰা।**

**উত্তৰঃ** উপকূল অঞ্চলৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হল -

ভাৰতৰ উপকূলীয় সমতল অঞ্চল দীঘল আৰু ঠেক। ই দক্ষিণ ভাৰতৰ আটাইবিলাক প্ৰধান নদীয়ে সৃষ্টি কৰা সমভূমি আৰু ব- দ্বীপৰ দ্বাৰা গঠিত। সেয়েহে ই পশ্চিম উপকূলতকৈ বেছি বহল আৰু সাৰুৱা। এই উপকূলত চিলকো, কোলাৰ আৰু পলিকত নামে তিনিটা হ্ৰদ আছে।